ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# স্বেচ্ছাকৃত দৰমহা ত্যাগ (কৰ ৰেহাই) অধিনিয়ম, ১৯৬১

(১৯৬১ ৰ ৪৬ নং অধিনিয়ম)

[১ জুন, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Voluntary Surrender of Salaries (Exemption from Taxation) Act, 1961

(Act No. 46 of 1961)

[As on the 1st June, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

## পাতনি

১ জুন, ১৯৯০ তাৰিখে যথা বিদ্যমান স্বেচ্ছাকৃত দৰমহা ত্যাগ (কৰ ৰেহাই) অধিনিয়ম, ১৯৬১ (১৯৬১ৰ ৪৬ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধৰাণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ৰ পৃষ্ঠা ৭০ৰ পৰা ৭১ত প্ৰকাশিত হৈছিল ।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হব ।

## PREFACE

This edition of the Voluntary Surrender of Salaries (Exemption from Taxation) Act, 1961 (46 of 1961) as on the 1st June, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI Section 1 No. 1, Vol. 1 dated 7th September, 1990 on Pages 70 to 71.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi
Date 24-10-90

V. S. RAMA DEVI,
Secretary to the Govt. of India.

# স্বেচ্ছাকৃত দৰমহা ত্যাগ (কৰ ৰেহাই) অধিনিয়ম, ১৯৬১

## ধাৰাসমূহৰ ক্ৰম

ধাৰাসমূহ—

১। সংক্ষিপ্ত নাম।

২। চৰকাৰৰ অনুকূলে ত্যাগ কৰা দৰমহাৰ ওপৰত আয়কৰ ৰেহাই।

৩। ধাৰা ২ৰ উপবন্ধসমূহ ভাত্তাৰ ক্ষেত্ৰত প্ৰযোজ্য হব।

৪। নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা।

৫। নিৰসন।

# স্বেচ্ছাকৃত দৰমহা ত্যাগ (কৰ ৰেহাই) অধিনিয়ম, ১৯৬১

১৯৬১ চনৰ ৪৬ নং অধিনিয়ম

**(১ জুন, ১৯৯০ তাৰিখে যথা বিদ্যমান)**

[ ৬ ডিচেম্বৰ, ১৯৬১ ]

কোনো ব্যক্তিক দিবলগীয়া দৰমহা বা ভাত্তাৰ অংশ যি তেওঁ ৰাজহুৱা স্বাৰ্থৰ খাতিৰত স্বেচ্ছাই ত্যাগ কৰিব বিচাৰে তাৰ আয়ৰ ওপৰত আয়কৰ ৰেহাই দিয়াৰ উপবন্ধ কৰিবৰ বাবে এখনি অধিনিয়ম ।

ভাৰত গণৰাজ্যৰ দ্বাদশ বছৰত সংসদৰ দ্বাৰা নিম্নলিখিত ভাবে অধিনিয়মিত হ'ল ।

সংক্ষিপ্ত নাম ।

১। এই অধিনিয়মৰ নাম স্বেচ্ছাকৃত দৰমহা ত্যাগ (কৰ ৰেহাই) অধিনিয়ম, ১৯৬১ ।

চৰকাৰৰ অনুকূলে ত্যাগকৰা দৰমহাৰ ওপৰত আয়কৰ ৰেহাই ।

২। ভাৰতীয় আয়কৰ অধিনিয়ম, ১৯২২ বা আয়ৰ ওপৰত কৰ সম্পৰ্কীয় তৎকালীন বলবৎ থকা অন্য যি কোনো বিধিত যিহকে নাথাকক কোনো নিম্নোক্ত ব্যক্তিয়ে ঃ— (১৯২২ চনৰ ২ নম্বৰ)

(ক) যি ক্ষেত্ৰত কোনো ব্যক্তিক ভাৰতৰ একীকৃত নিধি বা ৰাজ্যৰ একীকৃত নিধিৰ পৰা তেওঁৰ দৰমহা দিয়া হয়, ১৯৬১ চনৰ ৩১ মাৰ্চৰ পিচৰ কোনো কালৰ বাবে তেওঁৰ প্ৰাপ্য হোৱা দৰমহাৰ যি অংশ তেওঁ ৰাজহুৱা স্বাৰ্থত লিখিত ভাবে ঘোষণা কৰি স্বেচ্ছাই ত্যাগ কৰে সেই অংশৰ বাবদ ;

(খ) অন্য যি কোনো ক্ষেত্ৰত, ১৯৬১ চনৰ ৩১ মাৰ্চৰ পিচৰ যি কোনো কালৰ বাবে তেওঁৰ প্ৰাপ্য দৰমহাৰ যি অংশ ৰাজহুৱা স্বাৰ্থত কেন্দ্ৰীয় চৰকাৰে এই বিষয়ত প্ৰণয়ন কৰা নিয়মাৱলী অনুসাৰে কেন্দ্ৰীয় চৰকাৰৰ সপক্ষে স্বেচ্ছাই ত্যাগ কৰে আৰু উক্ত চৰকাৰক আদায় কৰে সেই অংশৰ বাবদ কোনো আয়কৰ বা ওপৰঞ্চি কৰ দিবলগীয়া নহব,

আৰু আয়ৰ ওপৰত কৰ নিৰ্দ্ধাৰণ সম্পৰ্কীয় যি কোনো বিধিৰ উদ্দেশ্যত দৰমহাৰ তেনে অংশ তেওঁৰ মুঠ আয়ৰ অন্তৰ্ভুক্ত কৰা নহব ।

ধাৰা ২ৰ উপবন্ধসমূহ ভাত্তাৰ ক্ষেত্ৰত প্ৰযোজ্য হব ।

**৩। ধাৰা ২ ৰ উপবন্ধসমূহ তাত উল্লিখিত কোনো ব্যক্তিৰ প্ৰাপ্য যি কোনো ভাত্তাৰ সম্পৰ্কতো ১৯৬১ চনৰ ৩১ মাৰ্চৰ পিচৰ যি কোনো কালৰ** বাবে তেওঁৰ দৰমহাৰ ক্ষেত্ৰত প্ৰয়োগ হোৱাৰ দৰে প্ৰয়োগ হব ।

নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা ।

**৪। (১) এই অধিনিয়মৰ উদ্দেশ্য সমূহ কাৰ্যকৰী কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।**

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম ইয়াক প্ৰণয়ন কৰাৰ পিচত যিমান সোনকালে পাৰি সংসদৰ প্ৰত্যেক সদনৰ আগত চলি থকা অৱস্থাত **এখন অধিবেশনতে হওক বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশতে হওক**

মুঠ ত্ৰিশ দিনীয়া কালৰ বাবে উপস্থাপন কৰিব আৰু যিখন অধিবেশনতে ইয়াক উত্থাপিত কৰা হয় যদি সেই অধিবেশনৰ বা তাৰ ঠিক পৰৱৰ্তী অধিবেশনৰ বা ক্ৰমাগত অধিবেশন সমূহৰ সমাপ্তিৰ পূৰ্বে উভয় সদন নিয়মৰ কোনো সংশোধন কৰিবলৈ সন্মত হয় বা এই বুলি সন্মত হয় যে নিয়মটো প্ৰণয়ন কৰিব নালাগে তেন্তে তৎপশ্চাত্ ক্ষেত্ৰানুযায়ী নিয়ম তেনে সংশোধিত আকাৰত কাৰ্যকৰী হব নাইবা ইয়াৰ কোনো কাৰ্যকাৰিতা নাথাকিব, কিন্তু সেয়ে হলেও এনে সংশোধন বা বদ্‌কৰণ সেই নিয়মৰ অধীনত পূৰ্বেকৃত যি কোনো কাৰ্যৰ বিধিমান্যতাৰ অপ্ৰতিকূলে হব ।

নিৰসন ।

৫। (১) স্বেচ্ছাই দৰমহা ত্যাগ (কৰৰ পৰা ৰেহাই) অধিনিয়ম, ১৯৫০ ইয়াৰ দ্বাৰাই নিৰসন কৰা হ'ল । ১৯৫০ চনৰ ৬১ নং

(২) এনে নিৰসন সত্ত্বেও সেই অধিনিয়মৰ অধীনত কৰা কোনো ঘোষণা এই অধিনিয়মৰ উদ্দেশ্যৰ বাবে কৰা ঘোষণা বুলি গণ্য কৰা হব ।